# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-12-2024
**Time :** 1715 Hrs

***Assamese Evening Bulletin***

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অসম গ্ৰন্থমেলা-২০২৪ অনুষ্ঠিত হ'ব। আজি খানাপাৰাৰ অসম গ্ৰন্থমেলাৰ অস্থায়ী কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এই কথা প্ৰকাশ কৰে।

কাইলৈ বিয়লি ৩ বজাত হ'বলগীয়া উদ্বোধনী অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে সন্মানীয় সভাপতিৰূপে অংশগ্ৰহণ কৰিব। সভাখনত দিল্লীৰ বিশিষ্ট সাংবাদিক, ইতিহাসবিদ, লেখক হিন্দল সেনগুপ্ত, বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ ধ্ৰুৱজ্যোতি বৰা, ভাৰতীয় প্ৰকাশক আৰু পুথি বিক্ৰেতা সংস্থাৰ সভাপতি সুৰিন্দৰ কুমাৰ ঘাইয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব। এইবাৰ গ্ৰন্থমেলাৰ বিভিন্ন দিনৰ কাৰ্যসূচীত কলকাতাৰ বিশিষ্ট লেখক বিনোদ ঘোষাল, সংস্কৃত আৰু হিন্দী সাহিত্যৰ বিশিষ্ট কথাশিল্পী বলদেৱানন্দ সাগৰ, চলচ্চিত্ৰ পৰিচালক মনোজ শ্ৰীবাস্তৱ, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ সচিব সচিদানন্দ যোশীয়ে বিশিষ্ট অতিথি হিচাপে ভাগ ল'ব। বছৰৰ শেষ দিনটোত গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব। ৫ জানুৱাৰীত গ্ৰন্থমেলাৰ বাকৰিত অনুষ্ঠিত হ'ব **শিশুৰ দিন**।

ooooo

বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংছিলৈ এই বছৰৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে। 'ধাৰ আৰু অন্যান্য গল্প' পুথিৰ বাবে ঠংছিয়ে এই বঁটা লাভ কৰিছে। আজি অসম গ্ৰন্থমেলাৰ অস্থায়ী কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাৰ উপস্থিতিত উপাধ্যক্ষ সুমন্ত চলিহাই এই কথা ঘোষণা কৰে।

অহা ৩১ ডিচেম্বৰত অসম গ্ৰন্থমেলাৰ বাকৰিত শ্ৰী ঠংছিক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। এই বঁটাত আছে – এখন প্ৰশস্তি পত্ৰ, অংগবস্ত্ৰ, স্মাৰক, কিতাপৰ টোপোলা আৰু নগদ ৫ লাখ টকা। ইয়াৰ উপৰি গ্ৰন্থখনৰ প্ৰকাশক বনলতাই এই বঁটাৰ বাবদ নগদ ৩ লাখ টকা পুৰস্কাৰ হিচাপে লাভ কৰিব।

ooooo

তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চাকৰি আৰু ঋণ মেলা অনুষ্ঠিত হয়। অনুষ্ঠানত স্থানীয় বিধায়ক, বি টি আৰৰ পাৰিষদ হেমন্ত কুমাৰ

ৰাভা, তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তীকে ধৰি প্ৰশাসনৰ কেইবাজনো জ্যেষ্ঠ বিষয়াৰ লগতে কেইবাগৰাকীও উদ্যোগৰ লগত জড়িত ব্যক্তিৰ লগতে দুহেজাৰৰো অধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে।

০০০০০

খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী কৌশিক ৰায়ে আজি হাইলাকান্দি চহৰৰ উপকণ্ঠৰ বৰজুৰাই গাঁৱত ৰাজ্য চৰকাৰৰ এটা ধান সংগ্ৰহ কেন্দ্ৰ পৰিদৰ্শন কৰি কৃষকসকলক এই কেন্দ্ৰটোত ন্যূনতম সমৰ্থন মূল্যত ধান বিক্ৰী কৰিবলৈ আহ্বান জনায়। এই উপলক্ষে আয়োজিত এখন সভাত মন্ত্ৰীগৰাকীয়ে এই কেন্দ্ৰত এহেজাৰ মেট্ৰিক টন ধান সংগ্ৰহ কৰিব পৰা যাব বুলি উল্লেখ কৰে। তেওঁ কয়, যে কৃষকৰ পৰা পোনপটীয়াকৈ ধান সংগ্ৰহ কৰিবলৈ চৰকাৰে প্ৰতিটো বিধানসভা সমষ্টিত এনে কেন্দ্ৰ স্থাপন কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। তদুপৰি চৰকাৰে ৰেচন কাৰ্ড থকা ব্যক্তিসকলক সুলভ মূল্যত দাইল আৰু চেনি প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে বুলিও মন্ত্ৰী শ্ৰীৰায়ে প্ৰকাশ কৰে।

০০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ভূমি-ৰাজহ সংগ্ৰহ ব্যৱস্থা অধিক স্বচ্ছ, কাৰ্যকৰী আৰু সুগম কৰাৰ লক্ষ্যৰে অনলাইন আৰু অফলাইন মাধ্যমেৰে খাজনা পৰিশোধৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি পট্টাদাৰসকলে অনলাইন ই-খাজনাৰ যোগে বা অফলাইন মৌজাদাৰৰ পৰা সংগ্ৰহ কৰা চি এফ আৰৰ জৰিয়তে ভূমি ৰাজহ আদায় দিব পাৰিব। এই অনলাইন ব্যৱস্থাই কৰ্মসূত্ৰে বা বিভিন্ন কাৰণত বাহিৰত থকা পট্টাদাৰসকলক ভূমি ৰাজহ আদায় দিয়াৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা কৰা হৈছে। সকলো জিলাৰ মৌজাদাৰ বা তহচিলদাৰৰ কাৰ্যালয়ত এই সুবিধা থাকিব।

০০০০০

তামুলপুৰৰ লক্ষ্মী নাৰায়ণপুৰত যোৱা নিশা বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই ২০টাৰো অধিক বাসগৃহ ধ্বংস কৰে। খাদ্যৰ সন্ধানত জনবসতিপূৰ্ণ অঞ্চললৈ ওলাই অহা বনৰীয়া হাতীৰ জাকৰ আক্ৰমণৰ পৰা প্ৰায় ১৫টা পৰিয়ালৰ সদস্য কথমপি ৰক্ষা পৰে। অঞ্চলটোৰ বহুলোকে বন্যহস্তীৰ আক্ৰমণৰ পৰা হাত সাৰিবলৈ সুৰক্ষিত স্থানত অৱস্থান কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

০০০০০

মেলবৰ্ণত অনুষ্ঠিত ব’ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি প্ৰথমদিনা অষ্ট্ৰেলিয়াই দিনান্তত ৬ উইকেটৰ বিনিময়ত ৩১১ ৰান সংগ্ৰহ কৰে। আজি অষ্ট্ৰেলিয়াই টচত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু লাবুচেঙৰ ৭২, চেম কনষ্টাছৰ ৬০, ওচমান খোৱাজাৰ ৫৭ আৰু ষ্টিভেন স্মিথৰ অপৰাজিত ৬৮ ৰানৰ সহায়ত ৩০০ ৰান অতিক্ৰম কৰে। অধিনায়ক পেট কামিন্‌ছে ৮ ৰান কৰি ষ্টিভেন স্মিথৰ সৈতে বেট ধৰি আছে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই তিনিটা আৰু আকাশদীপ, ৰবীন্দ্ৰ জাদেজা আৰু ৱাশ্বিংটন সুন্দৰে এটাকৈ উইকেট দখল কৰিছে।

ooooo

সমাপ্ত